**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 09-10-2025**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহ কাইলৈ ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডৰ www.slprbassam.in ৱেবছাইটত কাইলৈ পুৱা চাৰে ১১ বজাত ফলাফলসমূহ উপলব্ধ হ'ব। কাইলৈ অসম আৰক্ষীৰ ১৪৪টা উপ-পৰিদৰ্শক পদ, অসম আৰক্ষী অনাতাঁৰ সংগঠনৰ ৭টা উপ-পৰিদৰ্শক পদ, অসম কামাণ্ডো বেটেলিয়নৰ ৫১টা উপ-পৰিদৰ্শক পদ আৰু ১৬৪টা কনিষ্টবল পদৰ লগতে অন্যান্য পদসমূহৰ কাৰণে আয়োজন কৰা পৰীক্ষাসমূহৰ ফলাফল উপলব্ধ হ'ব।

ইপিনে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ ফলাফলসমূহ কাইলৈ পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ সংশ্লিষ্ট ৱেবছাইটত গৈ তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে।

০০০০০০

কংগ্ৰেছ সেৱা দলৰ বঙাইগাঁও জিলা সমিতিৰ উদ্যোগত আজি বঙাইগাঁও সদৰ চহৰৰ ৱাৰ্কিং জ'নৰ পৰা বৰপাৰালৈকে এটা পদযাত্ৰা উলিওৱা হয়। সেৱা দলৰ এই পদযাত্ৰাত কংগ্ৰেছ দলৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত বৰপেটাৰ প্ৰাক্তন সাংসদ আব্দুল খালেক, অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটিৰ সভানেত্ৰী মীৰা বৰঠাকুৰ আৰু জিলাখনৰ দুগৰাকী বিধায়কো উপস্থিত থাকে। পদযাত্ৰাৰ শেষত বৰপাৰাৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত সভাত সাংসদ গৌৰৱ গগৈয়ে বক্তব্য আগবঢ়ায়।

(বাইট ঃ গৌৰৱ গগৈ)

০০০০০০

জনসাধাৰণৰ স্বাস্থ্যৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিশুদ্ধ খোৱাপানীৰ যোগান আৰু সুবিধা সুনিশ্চিত কৰিবলৈ শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত লুকুমণি বৰাই কালি এটা নিৰ্দেশনা জাৰি কৰে। নিৰ্দেশনা অনুসৰি অতিথি আৰু জনসাধাৰণক খোৱাপানী যোগান ধৰা সকলো হোটেল, ৰেষ্টুৰেণ্ট আৰু তেনে ধৰণৰ প্ৰতিষ্ঠানে জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ বা জনস্বাস্থ্য কাৰিকৰি বিভাগ শিৱসাগৰৰ দ্বাৰা অনুমোদিত অথবা স্বীকৃতিপ্ৰাপ্ত পৰীক্ষাগাৰৰ পৰা খোৱাপানীৰ গুণগতমানৰ পৰীক্ষা কৰোৱাটো নিশ্চিত কৰিব লাগিব। প্ৰতি মাহতে পানীৰ গুণাগুণৰ পৰীক্ষা কৰিব লাগিব আৰু পৰীক্ষাৰ প্ৰতিবেদনসমূহ পৰৱৰ্তী মাহৰ ১০ তাৰিখনৰ ভিতৰত নিৰ্দিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব লাগিব। ইয়াৰ উপৰি খোৱা পানীৰ বাবে এই পৰীক্ষণে ব্যুৰো অফ ইণ্ডিয়ান

ষ্টেণ্ডাৰ্ড্‌ৰ মান অনুসৰি প্ৰয়োজনীয় ভৌতিক, ৰাসায়নিক আৰু অনুজীৱ বিজ্ঞানৰ পৰিমাপসমূহ সামৰি ল'ব লাগিব। ইয়াৰ লগতে শিৱসাগৰ জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে সময়মতে পৰীক্ষণ সেৱাৰ সুবিধা প্ৰদান কৰিব আৰু এনে পৰীক্ষণৰ সকলো প্ৰতিবেদন কেন্দ্ৰীয়ভাৱে সংৰক্ষিত কৰিব। এই আদেশ অমান্য কৰিলে জনস্বাস্থ্য আইন, খাদ্য সুৰক্ষা আৰু মানদণ্ড আইনৰ লগতে অন্যান্য প্ৰযোজ্য আইনৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০

তামুলপুৰৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত আজি জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত বিধানসভা সমষ্টি ভিত্তিত আয়োজন কৰা মেগা স্বাস্থ্য শিবিৰ সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। জিলাখনৰ দুয়োটা বিধানসভা সমষ্টি তামুলপুৰ আৰু গোৰেশ্বৰত ক্ৰমে অহা ২২ আৰু ২৭ অক্টোবৰত এই মেলা অনুষ্ঠিত হ'ব। একাধিক ৰোগত আক্ৰান্ত ১৮ বছৰ অনুৰ্ধ ৰোগীসকলে এই শিবিৰত চিকিৎসা সেৱা লাভ কৰিব। অৱশ্যে ১৮ বছৰৰ ওপৰৰ ৰোগীসকলে পঞ্জীয়ন অবিহনে এই শিবিৰত ভাগ ল'ব পাৰিব। ২২ অক্টোবৰত তামুলপুৰত হ'বলগীয়া এই মেগা স্বাস্থ্য শিবিৰৰ আগতে অৰ্থাৎ ১৭ অক্টোবৰত তামুলপুৰত ব্লক পৰ্যায়ৰ স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। লগতে ১১ অক্টোবৰত জীৱিকা সখী, অংগনবাড়ী আৰু আশা ছুপাৰভাইজৰ, শিক্ষক প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। মেগা স্বাস্থ্য শিবিৰত ১০ গৰাকী চিকিৎসকে হৃদয়, যকৃত, চকু, কাণ, নাৰ্ভ আদিৰ ৰোগীক সেৱা আগবঢ়াব।

০০০০০০

ওদালগুৰি জিলাৰ সমাজ সচেতন তথা সৰ্বৰহী ব্যক্তি খ্ৰীষ্টোফাৰ নাগৰ আজি পুৰা ওদালগুৰিৰ বেঘাপাৰাত অৱস্থিত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০৮। নাগৰ মৃত্যুত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাই গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০

সমাপ্ত